জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৬৪/২০২২**

# তেজপুৰৰ লিচুৰ উচ্চ প্ৰশংসাৰে মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ প্ৰধানমন্ত্ৰী মোদীৰ

**দিছপুৰ, ১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰেৰণ কৰা তেজপুৰৰ লিচুৰ টোপোলা গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেখেতলৈ এক পত্ৰযোগে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

যোৱা ২২ আগষ্টত প্ৰেৰণ কৰা এই পত্ৰযোগে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমাৰ দেশখন প্ৰাকৃতিক সম্পদৰে আশীৰ্বাদপুষ্ট। তেওঁ উল্লেখ কৰে যে জৈৱিক পদ্ধতিৰে উৎপাদিত তেজপুৰৰ লিচুৰ গুণগত মান যথেষ্ট উন্নত হোৱাৰ লগতে 'জি আই টেগ' সন্নিৱিষ্ট এই লিচুৱে আন্তঃৰাষ্ট্ৰীয় বজাৰতো বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। পত্ৰখনত প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে থলুৱাভাৱে উৎপাদিত এই লিচু অতি সুস্বাদু হোৱাৰ বাবে সমগ্ৰ বিশ্বতে বিশেষ সমাদৰ লাভ কৰিব পাৰিব। তদুপৰি 'ভোকেল ফৰ লোকেল'ৰ ক্ষেত্ৰত চৰকাৰে যি গুৰুত্ব প্ৰদান কৰি আহিছে তাক অধিক উৎসাহিত কৰিব।

পত্ৰখন লাভ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰৰ লিচু সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা প্ৰশংসাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় দেশৰ প্ৰধানমন্ত্ৰীৰ এনে উচ্চ প্ৰশংসাই আমাৰ ৰাজ্যৰ থলুৱা কৃষকসকলকো উদগণি যোগাব।

**পুঃডেঃ**
**১/০৯/২০২২**